**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

আজি বিশ্ব এইডছ্ দিৱস। ACQUIRED IMMUNO DEFICIENCY SYNDROMEৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ্ দিৱস পালন কৰা হয়। এই দিনটোৱে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ্ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ্ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ্ দিৱসৰ মূল বিষয়বস্তু হ'ল- **মোৰ স্বাস্থ্য মোৰ অধিকাৰ**।

নগাঁৱৰ নেহৰুবালিত অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে এই দিৱস অনুষ্ঠিত হয়। এই অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভিডিঅ' বাৰ্তাৰ জৰিয়তে এই অনুষ্ঠানত এইডছ্ৰ সজাগতা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই যুৱ প্ৰজন্মক এইডছ্ সংক্ৰমিত হ'ব পৰা কাৰকসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে ৰাজ্যৰ দহখন জিলাত উদ্বেগজনকভাৱে এইডছ্ ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে আৰু এই জিলাসমূহৰ ভিতৰত নগাঁও জিলাও আছে। অনুষ্ঠানৰ আৰম্ভণিতে মন্ত্ৰী কেশৱ মহন্তই অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ৰক্তদান শিবিৰ মুকলি কৰে।

০০০০

এইডছ্ আই ভি আক্ৰান্ত লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি মধ্যপ্ৰদেশত আয়োজিত বিশ্ব এইডছ্ দিৱসৰ অনুষ্ঠানত আহ্বান জনায়। ইন্দোৰত আয়োজিত এই অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইডছ্ আই ভি আক্ৰান্ত লোকসকলৰ মানৱ অধিকাৰৰ সুৰক্ষা প্ৰদান কৰা বিষয়তে গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে এইডছ্ আই ভি সুৰক্ষা আইন ২০১৭ ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এই লোকসকলৰ সৈতে হোৱা বৈষম্য দূৰ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে এইডছ্ আই ভি পৰীক্ষা তথা চিকিৎসাৰ বাবে কাৰ্যকৰী পদক্ষেপ লোৱাৰ পাছত দেশত এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ হাৰ ৭৯ শতাংশ হ্ৰাস হোৱা বুলিও শ্ৰীনাড্ডাই জানিবলৈ দিয়ে। তদুপৰি দেশত নতুনকৈ এই ৰোগত সংক্ৰমিত লোকৰ সংখ্যাও ৪৪ শতাংশ হ্ৰাস হোৱা বুলি তেওঁ প্ৰকাশ কৰে। ভাৰতত এই ৰোগৰ ফলপ্ৰসূ তথা কম ব্যয়বহুল ঔষধ প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে দেশত সম্প্ৰতি এইডছ্ আই ভি আক্ৰান্ত ১৭ লাখ ৩০ হাজাৰ লোকৰ ভিতৰত ৯৫ শতাংশ ৰোগীৰ চিকিৎসা চলি আছে। ২০৩০ চনৰ পূৰ্বে ভাৰত এই ৰোগৰ পৰা মুক্ত হ'ব বুলি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলক সুৰক্ষা প্ৰদান কৰাটো বাংলাদেশ চৰকাৰৰ দায়িত্ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কূটনৈতিক ব্যৱস্থাৰ জৰিয়তে বাংলাদেশ চৰকাৰে যাতে সংখ্যালঘু হিন্দুসকলক সুৰক্ষা প্ৰদান কৰে তাৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয়, যে সমগ্ৰ ভাৰতবাসীয়ে বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলৰ লগত আছে।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰ জিলাত লক্ষীপুৰ মহকুমা ন্যায়িক দণ্ডাধীশ আদালত ভৱনৰ উদ্বোধন কৰে। এই ভৱনটো প্ৰায় ৩ কোটি ৭৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হৈছে। ন্যায়িক ভৱনটোৱে লক্ষীপুৰৰ লগতে কাছাৰ জিলা তথা সামগ্ৰিকভাৱে বৰাক উপত্যকাৰ ন্যায়িক ব্যৱস্থাটোক অধিক গতিশীল কৰি তুলিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

উজনি অসমৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ সামগ্ৰিক কল্যাণৰ বাবে উজনি অসম মুছলীম কল্যাণ পৰিষদে অসম বিধানসভাত ৩ খন আৰু ৰাজ্যসভাৰ এখন আসন মুছলমানৰ বাবে সংৰক্ষণৰ দাবী উত্থাপন কৰিছে। আজি শিৱসাগৰত পৰিষদৰ কেন্দ্ৰীয় সভাপতি মনিৰুল ইচলাম বৰাই এখন সংবাদমেলযোগে এই দাবী উত্থাপন কৰে। তেওঁ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত মুছলমানৰ বাবে ১৫ শতাংশ সংৰক্ষণ, ন্যায়াধীশ ৰাজীন্দৰ সিং চাচৰৰ প্ৰতিবেদনৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰাকে ধৰি কেইবাটাও দাবী সংবাদমেলযোগে উত্থাপন কৰে।

০০০০

গোলাঘাট জিলাৰ বোকাখাট সমজিলা ভাৰোত্তলন সংস্থাৰ উদ্যোগত আজি পঞ্চম জিলা ভিত্তিক বাৰ্ষিক ভাৰোত্তলন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰা এই প্ৰতিযোগিতাৰ আৰম্ভণিতে কেইবাগৰাকীও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ক্ৰীড়াবিদক সম্বৰ্ধনা জনোৱা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া চলন্তিকা অনুষ্ঠানত ধুবুৰী ফুলবাৰী দলঙৰ নিৰ্মাণকাৰ্য সন্দৰ্ভত আমাৰ ধুবুৰী জিলাৰ সংবাদদাতা প্ৰদীপ সাহা আৰু দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ সংবাদদাতা জেছমিনাৰা পাৰবীনৰ প্ৰতিবেদনৰ ওপৰত যুগুত কৰি প্ৰস্তুত কৰা অনুষ্ঠান শুনিবলৈ পাব। অনুষ্ঠানটিৰ প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

সমাপ্ত